**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-AUGUST-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণৰ বাবে ৫ হাজাৰ কোটি টকাৰো অধিক ধন আৱণ্টনত অনুমোদন।

২। বানত ক্ষতিগ্ৰস্ত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ পুনৰ নিৰ্মাণত অগ্ৰাধিকাৰ দিবলৈ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক মুখ্যমন্ত্ৰীৰ আহ্বান।

৩। প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত অসমৰ শ্ৰেষ্ঠ ৰাজ্যিক বঁটা লাভ।

৪। গুজৰাটৰ নগৰ পৰিকল্পনাৰ উদ্ভাৱনী দিশসমূহৰ অধ্যয়নেৰে অসমৰ নগৰসমূহ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত কালি তৃতীয় দিনৰ সামৰণিলৈ প্ৰথম ইনিংছত ৮ উইকেটত সংগ্ৰহ কৰা ২৬৫ ৰানৰ পৰা শ্ৰীলংকাৰ আজিৰ খেল।

oooooo

প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত ৫ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগেৰে ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানক নতুন দিল্লীত কৰা সাক্ষাৎকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ধনৰাশিৰ লগতে কৃষিখণ্ডৰ বাবে অতিৰিক্ত ১৩৯ কোটি টকাৰ অনুমোদন পত্ৰ প্ৰদান কৰে। ইয়াৰ অধীনত বানত ক্ষতিগ্ৰস্ত বাসগৃহসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত পুনৰ নিৰ্মাণ কৰা হ'ব। এই বৈঠকৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী চৌহানে সাংবাদিকৰ আগত এইদৰে কয় –

**বাইট (চৌহান)**

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ চাহ বাগিচাত গৃহ নিৰ্মাণৰ বাবেও সাহায্য প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী চৌহানক কৃতজ্ঞতা জ্ঞাপন কৰে।

**বাইট (হিমন্ত)**

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক বানত ক্ষতিগ্ৰস্ত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনৰ ক্ষতিগ্ৰস্ত পথসমূহ শীঘ্ৰেই মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ লগতে ভৱিষ্যতে ক্ষতি কম হোৱাকৈ পথ, কালভাৰ্ট আৰু দলঙৰ নক্সা তথা নিৰ্মাণ পদ্ধতি অধিক বিজ্ঞানসন্মত কৰি তুলিবলৈ অনুৰোধ জনায়। তদুপৰি যোৰাবাটৰ কৃত্ৰিম বান সমস্যাই স্থায়ী সমাধানৰ বাবে ঘাইপথ আন্তঃগাঁথনিৰ পুনৰ নক্সা প্ৰস্তুত কৰাৰ বিষয়টো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ সংযোগী চাৰিশৰীয়া ঘাইপথৰ ঘোষণাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ড° শৰ্মাই বান ক্ষতিগ্ৰস্ত নুমলীগড়-জাঁজী আৰু জাঁজী-ডিব্ৰুগড় সংযোগী পথছোৱাৰ মেৰামতিৰ বাবেও আহ্বান জনায়। তদুপৰি কালাইনৰ পৰা শিলচৰলৈ

চাৰিশৰীয়া ঘাইপথটো ৰাজ্যিক ঘাইপথৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰা সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ লগতে শ্ৰীভূমিৰ মাজেৰে পাৰ হৈ যোৱা ৩৭ আৰু ৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণ কাৰ্য ত্বৰান্বিত কৰা, শিলচৰ-শ্বিলং এক্সপ্ৰেছ কৰিডৰ আৰু গহপুৰ-নুমলীগড় সুৰংগৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০০০০

০০০০০০

প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত অসমে শ্ৰেষ্ঠ ৰাজ্যিক বঁটা লাভ কৰিছে। নতুন দিল্লীত কালি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানৰ পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সঞ্চালক কুন্তল মণি শৰ্মা বৰদলৈয়ে এই বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ অধীনত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ আঁচনি ৰূপায়ণত শীৰ্ষ প্ৰদৰ্শনকাৰী জিলা হিচাপে সফলতা অৰ্জন কৰিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ২৯৬ টা ঋণৰ লক্ষ্য লৈ জিলাখনে ৪০৪ টা ঋণৰ অনুমোদন প্ৰদানেৰে ১৩৬ শতাংশ সফলতা লাভ কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দেশৰ সামুদ্ৰিক খণ্ডৰ দ্ৰুত পৰিৱৰ্তন হোৱা বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় জাহাজ চলাচল পৰিষদে নতুন দিল্লীত আয়োজন কৰা সাগৰ সংবাদ শীৰ্ষক আলোচনাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীসোণোৱালে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে নতুন ব্যৱসায়িক জাহাজ পৰিবহণ আইন ২০২৫-এ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

বাইট (সোণোৱাল)

মন্ত্ৰীগৰাকীয়ে কয়, যে নিজস্ব বাণিজ্যিক পথৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ অনা আৰু বিদেশী সামগ্ৰী পৰিবহণ মাচুল হ্ৰাস কৰাৰ উদ্দেশ্যে এই দিনজোৰা আলোচনাত পৰৱৰ্তী পাঁচ বছৰত বাণিজ্যিক বহৰ নতুনকৈ ১০০খন জাহাজ অন্তৰ্ভুক্ত কৰাৰ পাঁচ-দফীয়া পৰিকল্পনাক লৈ আলোচনা কৰা হয়।

০০০০০০

ৰাজ্য চৰকাৰে গুজৰাটৰ নগৰ পৰিকল্পনাৰ উদ্ভাৱনী দিশসমূহৰ অধ্যয়নৰ দ্বাৰা ৰাজ্যৰ ক্ৰমাৎ সম্প্ৰসাৰিত নগৰসমূহ উন্নয়নৰ বাবে পৰিকল্পনা লৈছে। গুজৰাট ভ্ৰমণকালত গ্ৰাহক পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি ৰাজ্যখনৰ নগৰ উন্নয়ন বিভাগৰ সৈতে আলোচনাৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকত পৰিকল্পিত নগৰ উন্নয়ন, নগৰ আন্তঃগাঁথনি, পৌৰ সেৱা আৰু নগৰ প্ৰশাসনৰ ক্ষেত্ৰত গুজৰাটৰ উদ্ভাৱনীমূলক পদ্ধতি সন্দৰ্ভত আলোচনা কৰা হয়। দ্ৰুতগতিত সম্প্ৰসাৰিত হৈ অহা নগৰ এলেকাৰ প্ৰেক্ষাপটত এই ব্যৱস্থাসমূহ অসমৰ ক্ষেত্ৰত প্ৰয়োগ আৰু অভিযোজনৰ সম্ভাৱনা লৈও বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কালি গুজৰাটৰ কেইবাটাও বিভাগৰ প্ৰতিনিধিৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। তেওঁ আহমেদাবাদত নগৰ উন্নয়ন, পৌৰ প্ৰশাসন, চেনিৰ মূল্য নিয়ন্ত্ৰণ আৰু সমবায় চেনি উদ্যোগ সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহৰ মন্ত্ৰীসকলৰ সৈতে কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে সাবৰমতি ৰিভাৰ ফ্ৰণ্টৰ লগতে ঐতিহাসিক অটল ব্ৰীজ পৰিদৰ্শন কৰে। তেওঁ ২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ সাবৰমতি ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পৰ পৰিকল্পনা, নিৰ্মাণ আৰু বিভিন্ন উপাদানৰ বুজ লয়।

ইয়াৰ পাছতে মন্ত্ৰীগৰাকী সাবৰমতি ৰিভাৰ ফ্ৰণ্ট উন্নয়ন নিগম লিমিটেডৰ কাৰ্যালয়ত আহমেদাবাদ প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত কাৰিকৰী পৰিকল্পনা আৰু নক্সা, বান ব্যৱস্থাপনা, ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহ, কঠিন আৱৰ্জনা ব্যৱস্থাপনা, নাগৰিকৰ বাবে সুবিধা আৰু সমন্বিত নগৰ উন্নয়নৰ আন দিশসমূহক লৈ আলোচনা কৰা হয়। ইয়াৰ পাছত শ্ৰীৰায়ে গুজৰাট ৰাজ্যিক চেনী কল সমবায় সংঘৰ অধ্যক্ষ ঈশ্বৰ সিং টি পেটেল আৰু গুজৰাট সমবায় চেনী খণ্ডৰ প্ৰতিনিধিসকলৰ সৈতে চেনীৰ মূল্য, ক্ৰয়, উৎপাদন আৰু বিতৰণৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে। বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ আৰক্ষীয়ে কালি বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। এই লোকজনে জিলাখনৰ চৰ অঞ্চলকে ধৰি বিভিন্ন স্থানলৈ মাদক দ্ৰব্য সৰবৰাহ কৰি অহা বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছিল। এই তথ্যৰ ভিত্তিত কালি বিয়লি অঞ্চলটোৰ এখন দোকানত অভিযান চলাই আৰক্ষীয়ে হেৰ'ইন ভৰ্তি প্লাষ্টিকৰ কেইবাটাও টেমা জব্দ কৰে।

ইপিনে, কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰ অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰত কালি আৰক্ষীয়ে অভিযান চলাই এখন ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। এই সংক্ৰান্তত ট্ৰাকখনৰ চালক আৰু এজন সহযোগীক আটক কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে গুৱাহাটীৰ পৰা শিলিগুড়িলৈ সৰবৰাহৰ বাবে নিয়া এই মাদকদ্ৰব্যৰ পৰিমাণ প্ৰায় ডেৰ কিলোগ্ৰাম। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত এইচ আই ভি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যৰ প্ৰতিখন জিলাত আজিৰে পৰা ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান আৰম্ভ কৰা হ'ব। ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১০ বজাত হ'বলগীয়া এই অভিযান মুকলি অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। ৰাজ্যৰ ৩৫ খন জিলাৰ ৩ হাজাৰ ৯০০ খন গাঁৱৰ ৮০ হাজাৰটা পৰিয়ালৰ প্ৰায় ৫ লাখ লোকক এই অভিযানে সামৰি ল'ব। ৰাজ্যৰ ৫০০ খন বিদ্যালয়, ২০০ মহাবিদ্যালয় আৰু ১০০ খন চৰকাৰী চিকিৎসালয়ক সামৰি আই ই চি অভিযান চলোৱা হ'ব।

০০০০০০

দৰং জিলাৰ দলগাঁওস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কালি সাহিত্য বিষয়ক কাৰ্যসূচী অনুষ্ঠিত কৰে। মহাবিদ্যালয়খনৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত 'লিখিবলৈ শিকো আহক সাহিত্য' শীৰ্ষক কাৰ্যসূচীৰ লগতে এখন কুইজো অনুষ্ঠিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰাৰ লগতে অসমীয়া ভাষা সাহিত্যৰ চৰ্চাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লক্ষীপ্ৰসাদ হাজৰিকাই উদ্বোধন কৰা এই কাৰ্যসূচীত কেইবাগৰাকীও সমল ব্যক্তি আৰু অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০০

শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে কলম্বোত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত কালি তৃতীয় দিনৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৮টা উইকেট হেৰুৱাই সংগ্ৰহ কৰা ২৬৫ ৰানৰ পৰা আজিৰ খেল আৰম্ভ কৰিব। দলটোৰ দুটা উইকেট বাকী থকা অৱস্থাত ভাৰতৰ প্ৰথম ইনিংছতকৈ ২৩৮ ৰানত পিছপৰি আছে। ইয়াৰ পূৰ্বে ভাৰতে ৯টা উইকেটৰ বিনিময়ত ৫০৩ ৰান কৰি

প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰে। ভাৰতৰ হৈ দেৱদত্ত পাডিক্কলে ১১৭ আৰু ধ্ৰুৱ জুৰেলে ১১৫ ৰান কৰে। ভাৰত এই খেলখনত জয়ী হ'লে ২০২৫-২৭ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ফাইনেলৰ দৌৰত চতুৰ্থ স্থানলৈ উন্নীত হ'ব। সম্প্ৰতি অষ্ট্ৰেলিয়া প্ৰথম, দক্ষিণ আফ্ৰিকা দ্বিতীয় আৰু নিউজিলেণ্ড তৃতীয় স্থানত আছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। উজনি অসমৰ বান বিধ্বস্ত চাৰি জিলাৰ বানাক্ৰান্তক চৰকাৰী আৰ্থিক সাহাৰ্য প্ৰদানৰ নামত ব্যাপক বিসংগতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিত্ত বিভাগৰ তথ্যত প্ৰকাশ পোৱা মতে চাৰিখন জিলাৰ মুঠ ৪,৪১৬জন বানাক্ৰান্তৰ একাউন্টত অতিৰিক্তভাৱে চৰকাৰী সাহাৰ্যৰ ধন সোমাইছিল। এনে প্ৰেক্ষাপটত একাউন্টত সোমাৱা অতিৰিক্ত ধন ঘুৰাই আনিব বিত্ত বিভাগে শিৰোনামেৰে আমাৰ অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। অসমত বৰ্তমান পিয়াঁজৰ দাম ৪৫% পৰ্যন্ত বৃদ্ধি পাই প্ৰতি কিলোগ্ৰামত ৬০ টকা স্পৰ্শ কৰিছে। মাত্ৰ এসপ্তাহৰ ভিতৰতে প্ৰতি কেজিত ২০ টকাকৈ দাম বৃদ্ধি পাইছে। পিয়াঁজৰ অস্বাভাৱিক দামবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অসমলৈ বিশেষ 'পিঁয়াজ এক্সপ্ৰেছ' (Onion Express)ৰো ব্যৱস্থা কৰিছে। দৈনিক অসম কাকতে এই বাতৰিটোক মুখ্য বাতৰিৰ স্থান দিছে। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত HIV ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। ৫ গৰাকী মহিলাসহ ৬৭ জন কয়দী HIVত আক্ৰান্ত হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। নীতিন গাডকাৰীক সাক্ষাৎ কৰি বানত ক্ষতিগ্ৰস্ত ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ ত্বৰান্বিত পুনৰ নিৰ্মাণ আৰু বান-সহনশীল পথ আন্তঃগাঁথনি নিৰ্মাণৰ বিষয়ে আলোচনা কৰে। দি আচাম ট্ৰিবিউন কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত সবিস্তাৰে যুগুতাইছে। বানপীড়িত পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণ দিয়াৰ দাবীকে ধৰি বিভিন্ন জনমুখী সমস্যাৰ সমাধানৰ বাবে কালি শিৱসাগৰৰ বৰ্ডিং ফিল্ডত অখিল গগৈৰ আহ্বানত বিশাল গণসমাৰেশ অনুষ্ঠিত হোৱা বাতৰিটোৱে অসমীয়া প্ৰতিদিন কাকতত প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ শিৰোনাম দখল কৰিছে। দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি কাকততো আলোকচিত্ৰসহ বাতৰিটো পৰিৱেশন কৰা হৈছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**